# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2025
**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। আজি নিশাটো দেৰগাঁৱত কটোৱাৰ পাছত কাইলৈ পুৱাৰ ভাগত তেওঁ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। ১৬৭ কোটি ৪০ লাখ টকাৰ ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। উল্লেখযোগ্য যে, যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ মাজত সম্পাদিত চুক্তি অনুসৰি আইজল নগৰৰ সোঁমাজত থকা আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়। উল্লেখযোগ্য যে, জোখ'ছাঙত বাহিনীটোৰ মূল শিবিৰৰ নিৰ্মাণৰ কাম গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰৰ এপ্ৰিল মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী আইজলৰ পৰা গুৱাহাটীলৈ উভতি আহি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নিশাটো অতিবাহিত কৰিব। পৰহিলৈ গৃহমন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে শ্ৰীশ্বাহে গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰে অহা ১৯ মাৰ্চত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীলৈ গৃহ নিৰ্মাণৰ বাবে প্ৰথমটো কিস্তিৰ ধন বেংকযোগে হস্তান্তৰ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ভিতৰত ৰাজ্যখনৰ প্ৰায় ৩০ লাখ পৰিয়ালে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত চৰকাৰী অনুদানেৰে পকী ঘৰ নিৰ্মাণ কৰিবলৈ সমৰ্থ হ'ব। ৰাজ্যখনত এই আঁচনিৰ অধীনত নিৰ্মাণ হোৱা আৰু নিৰ্মাণ কাৰ্য চলি থকা বাসগৃহৰ সংখ্যা ২২ লাখ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে

জানিবলৈ দিয়ে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত ৩ লাখ ৮০ হাজাৰ বাসগৃহ নিৰ্মাণৰ বাবে অনুমোদন দিছে আৰু ২০২৫-২৬ বৰ্ষত ৩ লাখ ৮০ হাজাৰ বাসগৃহৰ অনুমোদন পোৱা যাব বুলি আশা কৰা হৈছে।

এই আঁচনিৰ বাবে পূৰ্বে নিৰ্ধাৰিত অপেক্ষাৰত হিতাধিকাৰীৰ তালিকাত ৭ লাখ ৬০ হাজাৰ লোকৰ নাম অন্তৰ্ভুক্ত হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ পৰৱৰ্তী সময়ত অহা এপ্ৰিল- মে' মাহত আৰু ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীক এই আঁচনিৰ ধন প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত ৰাজ্যখনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩০ লাখ হিতাধিকাৰীক ঘৰ প্ৰদানৰ লক্ষ্য প্ৰাপ্তি হ'ব। তেওঁ কয়, যে এই আঁচনিৰ হিতাধিকাৰী চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰে পুনৰবাৰ জিঅ' টেগিং কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি লৈছে। সেই অনুসৰি দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে জিঅ' টেগিঙৰ ক্ষেত্ৰত অভিনৱ পন্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এইবাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়াৰ পৰিৱৰ্তে জীৱিকা সখীসকলে মহিলা আত্মসহায়ক গোটৰ সহযোগত গাঁৱে গাঁৱে গৈ জিঅ' টেগিং কৰিব। ইয়াৰ পাছতো জিঅ' টেগিঙৰ পৰা বঞ্চিত হৈ ৰোৱা লোকসকলৰ বাবে স্ব-জিঅ' টেগিঙৰ ব্যৱস্থা কৰা হ'ব বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে।

০০০০০০০

ৰাজ্যত অহা ১ এপ্ৰিলৰ পৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি ৰূপায়ণৰ জৰিয়তে ২৭ লাখ মহিলাক আঁচনিৰ চেক বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই জনতা ভৱনত আয়োজিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে বিহালীত ২৩ হাজাৰ মহিলাক চেক বিতৰণেৰে এই আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। ৰাজ্য চৰকাৰৰ এই ধ্বজাবাহী আঁচনিখন দেশৰ ভিতৰতে মহিলা সবলীকৰণৰ ক্ষেত্ৰত এখন বৃহৎ আঁচনি বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ৰাজ্যৰ আত্মসহায়ক গোটৰ সদস্য হিচাপে থকা ৩৬ লাখ মহিলাৰ ভিতৰত প্ৰায় ২৭ লাখ মহিলা এই আঁচনিৰ যোগ্য বিবেচিত হ'ব। ইয়াৰ বাবে অহা ৩১ মাৰ্চৰ ভিতৰত হিতাধিকাৰীৰ তালিকা চূড়ান্ত কৰা হ'ব। হিতাধিকাৰীসকলে প্ৰথম কিস্তিত লাভ কৰা ১০ হাজাৰ টকা উপযুক্তভাৱে ব্যৱহাৰ কৰিলে তেওঁলোকক দ্বিতীয় কিস্তিত ২৫ হাজাৰ টকা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি সন্দৰ্ভত ডিব্ৰুগড় জিলা আয়ুক্তৰ সভাকক্ষত কালি এখন সভা অনুষ্ঠিত হয়। সভাত এই আঁচনিৰ বাবে হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া তথা যোগ্যতাৰ চৰ্তসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ডিব্ৰুগড় জিলা শাখাৰ প্ৰকল্প প্ৰৱন্ধকক অহা ২৭ মাৰ্চৰ ভিতৰত এই আঁচনিৰ চূড়ান্ত তালিকা জমা দিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

তেজপুৰ আদালতে কালি ইউ এছ টি এমৰ স্বত্বাধিকাৰী মহবুবুল হকৰ জামিন আবেদন নাকচ কৰে আৰু তেওঁক পাঁচ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ঢেকিয়াজুলি আৰক্ষীয়ে ঢেকিয়াজুলি থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত হকক গ্ৰেপ্তাৰ কৰি কালি তেজপুৰ আদালতত হাজিৰ কৰোৱা হয়। আৰক্ষীয়ে তেওঁক ১০ দিনৰ জিম্মাত বিচাৰে যদিও সেই আবেদন নাকচ কৰে আৰু মহবুবুল হকক পাঁচ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

০০০০০০০

অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা জাহ্নু বৰুৱাক ২০২৫ বৰ্ষৰ মঘাই ওজা বঁটাৰ বাবে নিৰ্বাচিত কৰিছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সৌজন্যত আৰু যোৰহাট জিলা সমিতিৰ উদ্যোগত জিলাখনৰ চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত  কাইলৈ আয়োজন কৰা কেন্দ্ৰীয় কাৰ্যসূচীত জাহ্নু বৰুৱাক এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

ৰাজ্যত ভুৱা চিকিৎসকক চিনাক্ত আৰু ভুৱা চিকিৎসা প্ৰতিহত কৰাৰ বাবে স্বাস্থ্য সেৱা সঞ্চালকালয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত ভুৱা চিকিৎসক প্ৰতিৰোধী গোট গঠন কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ত কালি ৰাজ্য চৰকাৰে দাখিল কৰা এখন শপতনামাত এই কথা উল্লেখ কৰা হয়। ৰাজ্যৰ জ্যেষ্ঠ চিকিৎসক ডাঃ অভিজিৎ নেওগক এই গোটৰ তদাৰকী বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে, ৰাজ্যত বহু ভুৱা চিকিৎসকে সৰ্বসাধাৰণৰ জীৱনলৈ বিপদ মাতি চিকিৎসা সেৱা চলাই থকাৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰা হৈছিল।

০০০০০০০

**সমাপ্ত**